আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 01, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৫ Guwahati, Assam ।। মূল্যঃ এটকা



# ৰংঘৰত ভূমি পূজন!

দুদিন ধৰি চৰকাৰী সভাৰ প্ৰচাৰ অখিল গগৈৰ। কাষত বহি লৈ মুখ্যমন্ত্ৰীৰ প্ৰশংসাত পঞ্চমুখ অখিল।

■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক

## বিৰোধী নেতাৰ নাম ল'বলৈ হেঁচা

# অভিযুক্তক লৈ অংক!

## সংসদ ভৱন কাণ্ডত জড়িত অভিযুক্তক দিয়া হৈছে বৈদ্যুতিক শ্বক

## ছিমকাৰ্ড এক্টিভ কৰি উকা কাগজত লৈছে স্বাক্ষৰ

■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত চাওক





# মোদী বন্দনা! ভোটৰ লক্ষ্যৰে বাজেট দাখিল

অন্তৰ্বৰ্তীকালীন বাজেটত কোম্পানীৰ কৰ্প'ৰেট কৰৰ হাৰ ৩০ শতাংশৰ পৰা ২২ শতাংশলৈ হ্ৰাস কৰা হৈছে। কোনো কোনো কোম্পানীৰ কৰ ১৫ শতাংশ পৰ্যন্ত হ্ৰাস হ'ব। অৱশ্যে আন কৰৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন কৰা হোৱা নাই।

বাতৰি ৩নং পৃষ্ঠাত...

# সংসদ ভৱন কাণ্ডত জড়িত ৫ অভিযুক্তক উকা কাগজত চহী কৰিবলৈ দিল্লী আৰক্ষীৰ হেঁচা

**নতুন দিল্লী, ১ ফেব্ৰুৱাৰীঃ** বৈদ্যুতিক শ্বক দিয়া হৈছে সংসদ ভৱনত আক্ৰমণ কৰা অভিযুক্তসকলক৷ বৈদ্যুতিক শ্বক দি বিৰোধী ৰাজনৈতিক দলৰ নেতাৰ নাম ল'বলৈ বাধ্য কৰোৱা হৈছিল ৫ অভিযুক্তক৷ বুধবাৰে দিল্লীৰ পাটিয়ালা হাউচ আদালতত আবেদন দাখিল কৰি এই অভিযোগ উত্থাপন কৰিছে অভিযুক্তসকলে৷ অভিযুক্তসকলে বৈদ্যুতিক শ্বক দি অত্যাচাৰ কৰাৰ লগতে ৭০ খন উকা পৃষ্ঠাত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰোৱাৰো অভিযোগ আনি আদালতত আবেদন দাখিল কৰে৷ আদালতত দাখিল কৰা আবেদনত সংসদ আক্ৰমণৰ অভিযুক্তসকলে কয় যে বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ অধীনত অপৰাধ কৰাৰ অভিযোগ আনি ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ সৈতে সম্পৰ্ক থকাৰ দৰে স্বীকাৰোক্তি দি স্বাক্ষৰ কৰিবলৈ বাধ্য কৰোৱা হৈছে। ৰাজনৈতিক দলৰ সৈতে জড়িত বুলি কাগজত লিখিবলৈ বলপূৰ্বকভাবে বাধ্য কৰোৱা হৈছে তেওঁলোকক। অভিযুক্তসকলে কয় যে বিৰোধী দলৰ নেতাৰ সৈতে সম্পৰ্ক আছে বুলি তেওঁলোকক লিখিতভাৱে দিবলৈ জোৰ দিয়া হৈছে আৰক্ষীৰ তৰফৰ পৰা৷ পাটিয়ালা হাউচ আদালতত এনে অভিযোগ আনি মনোৰঞ্জন ডি, সাগৰ শৰ্মা, ললিত ঝা, অমল চিন্দে আৰু মহেশ কুমাৰতে আবেদন দাখিল কৰিছে। আদালতত এই পাঁচজন অভিযুক্তৰ হৈ যুক্তি দৰ্শোৱা অধিবক্তা অমিত শুক্লাই কয় যে আমি উপযুক্ত ব্যৱস্থা বিচাৰিছো। আমি এই তথ্য আদালতৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছিলো, কিয়নো আৰক্ষীয়ে অভিযোগনামা দাখিল কৰাৰ সময়ত এই তথ্যবোৰ বিকৃত কৰিব। অধিবক্তা অমিত শুক্লাই কয় যে পিছত জামিনৰ আবেদন দাখিল কৰাৰ সময়ত আমি এই তথ্যবোৰ ব্যৱহাৰ কৰিম। এই সন্দৰ্ভত উত্তৰ দাখিল কৰিবলৈ সময় বিচাৰিছে অভিযুক্তপক্ষই। পৰৱৰ্তী ১৭ ফেব্ৰুৱাৰীৰ ভিতৰত দাখিল কৰিব। অধিবক্তা অমিত শুক্লাই আৰু কয় যে কিন্তু মই নিশ্চিত যে চৰকাৰী পক্ষই এই অভিযোগ অস্বীকাৰ কৰিব। অস্বীকাৰ নকৰিলেও, এনে ঘটনা সংঘটিত কৰিছে নে নাই সেয়া অনুসন্ধান কৰা উচিত। অভিযুক্তসকলে ইয়াকো কৈছে যে তেওঁলোকক তেওঁলোকৰ বৰ্তমান আৰু পুৰণি চিম নম্বৰ সক্ৰিয় কৰিবলৈ এয়াৰটেল, ভোডাফোন আৰু বিএছএনএলৰ কাৰ্যালয়লৈ লৈ যোৱা হৈছিল। পাঁচজন অভিযুক্তই আশংকা কৰে যে তেওঁলোকৰ নম্বৰৰ সৈতে খেলিমেলি কৰা হ'ব৷ তাৰ দ্বাৰা দাবী কৰিব পাৰে যে ভুল লোক বা কোনো ৰাজনৈতিক দলৰ সৈতে সম্পৰ্কত আছিল। অভিযুক্তসকলৰ পৰা ই-মেইল আৰু সামাজিক মাধ্যম একাউণ্টৰ পাছৱৰ্ড বলপূৰ্বক লোৱা বুলিও অভিযোগ কৰে অভিযুক্ত ৫ যুৱকে। দিল্লী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি এয়া অবৈধ বুলি কয় অধিবক্তা শুক্লাই৷ দিল্লী আৰক্ষীৰ হৈ হাজিৰ হোৱা বিশেষ চৰকাৰী অধিবক্তা অখণ্ড প্ৰতাপ সিঙে আদালতক কয় যে আমি আমাৰ উপযুক্ত উত্তৰ দাখিল কৰিম। বিষয়টো ইতিমধ্যে আদালতৰ দৃষ্টিগোচৰ কৰা হৈছে৷ কিন্তু যেতিয়া ন্যায়াধীশে অভিযুক্তসকলক এই বিষয়ে সুধিছিল, তেওঁলোকে অস্বীকাৰ কৰিছিল। চৰকাৰী অধিবক্তা অখণ্ড প্ৰতাপ সিঙে কয় যে ১৩ জানুৱাৰীত যেতিয়া সকলো অভিযুক্তক আদালতত হাজিৰ কৰা হৈছিল, তেতিয়া একেটা অভিযোগক লৈ আদালতে সকলো অভিযুক্তক সোধা-পোছা কৰিছিল। অৱশ্যে, সেই সময়ত অভিযুক্তই দিল্লী আৰক্ষীয়ে কোনো ধৰণৰ চাপ বা এনে ধৰণৰ কোনো অভিযোগ অস্বীকাৰ কৰিছিল। অৱশ্যে, পাঁচ অভিযুক্তৰ অধিবক্তাই কয় যে তেওঁলোক সকলোৱে আৰক্ষীৰ ভয়ত কথা কোৱা নাছিল। ষষ্ঠ অভিযুক্ত নীলম আজাদে বিষয়টো উত্থাপন কৰি এগৰাকী মহিলা বিষয়াই তেওঁক ৫০ খন উকা কাগজত স্বাক্ষৰ কৰিবলৈ হেঁচা দিয়া বুলি কৈছিল। চৰকাৰী অধিবক্তা অখণ্ড প্ৰতাপ সিঙে কয় যে যেতিয়া মই এই বিষয়টো উত্থাপন কৰি পঞ্জীয়ন কৰা উচিত বুলি কৈছিলো, আদালতে কৈছিল যে প্ৰতিজন অভিযুক্তক এই বিষয়ে সোধা হ'ব। যেতিয়া আদালতে অভিযুক্তক সুধিছিল, তেওঁলোকে তেনে ধৰণৰ একো হোৱা নাই বুলি কৈছিল। সেইদিনা আদালতত অভিযুক্তসকল আৰক্ষী বিষয়াৰ সৈতে থিয় হৈ আছিল। গতিকে অভিযুক্তই কৈছিল যে আৰক্ষীয়ে তেওঁলোকৰ ওপৰত হেঁচা প্ৰয়োগ কৰা নাই। অভিযুক্তৰ অধিবক্তাই কয় যে পিছত, যেতিয়া মই অভিযুক্তক কাৰাগাৰত লগ পাবলৈ গৈছিলো, তেতিয়া মোক কৈছিল যে আদালতত কথা নক'বলৈ হেঁচা দিয়া হৈ হৈছিল। বুধবাৰে অনুষ্ঠিত শুনানিত দিল্লী আৰক্ষীয়ে আটাইকেইজন অভিযুক্তৰ ন্যায়িক জিম্মা বৃদ্ধি কৰিবলৈ আবেদন দিছিল। আদালতে জিম্মা ১ মাৰ্চলৈ বৃদ্ধি কৰে। চৰকাৰী অধিবক্তা অখণ্ড প্ৰতাপ সিঙে কয় যে তদন্ত এতিয়াও স্থগিত হৈ আছে। যদি এই লোকসকলক জিম্মাত ৰখা নহয়, সাক্ষীসকলৰ ওপৰত চাপ আৰু প্ৰমাণৰ সৈতে খেলিমেলি কৰাৰ সম্ভাৱনা থাকিব। উল্লেখ্য যে, বিগত ১৩ ডিচেম্বৰত সংসদত সংঘটিত হৈছিল আক্ৰমণৰ ঘটনা। ৫ যুৱক-যুৱতীয়ে সংসদৰ ভিতৰে-বাহিৰে হুলস্থূলৰ সৃষ্টি কৰিছিল৷ দুজন যুৱকে হঠাতে লোকসভাৰ দৰ্শনাৰ্থীৰ গেলেৰীৰ পৰা মজিয়াত জঁপিয়াই পৰি জোতাৰ ভিতৰত লুকুৱাই অনা স্মোক বোমাৰে সদনত আতংকৰ সৃষ্টি কৰিছিল। কিন্তু কিছু সময়ৰ ভিতৰতে কেইগৰাকীমান সাংসদে যুৱক দুজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। বিজেপিৰ সাংসদৰ ভিজিটৰ পাছ যোগে সদনত প্ৰৱেশ কৰিছিল অভিযুক্তসকলে৷ কৰ্ণাটকৰ মহীশূৰৰ বিজেপি সাংসদ প্ৰতাপ সিংহৰ নামত ভিজিটৰ পাছ লৈ সদনৰ কাৰ্যক্ৰম চাবলৈ আহিছিল অভিযুক্তসকলে৷

## কৰ্পৰেটক বিশেষ সুবিধা, ভোটাৰক আকৰ্ষণৰ চেষ্টা

# অন্তিমখন বাজেটত বিত্তমন্ত্ৰীৰ মোদী বন্দনা

**নতুন দিল্লী, ১ ফেব্ৰুৱাৰীঃ** "মোদী চৰকাৰৰ বিগত ১০ বছৰত ভাৰতৰ অৰ্থনীতিয়ে নতুন শক্তি লাভ কৰিছে আৰু উন্নয়নৰ ফল জনতাই প্ৰত্যক্ষভাৱে লাভ কৰিবলৈ সক্ষম হৈছে। আমি আশা কৰোঁ যে আমাৰ চৰকাৰখনে নিজৰ অসাধাৰণ কৰ্ম দক্ষতাৰে জনতাক অধিক সেৱা প্ৰদান কৰিব পাৰিব।" বৃহস্পতিবাৰে সংসদৰ বাজেট অধিৱেশনত এইদৰেই ভাষণৰ আৰম্ভণি কৰি মোদী চৰকাৰৰ দ্বিতীয় কাৰ্য্যকালৰ অন্তিমখন বাজেট দাখিল কৰিলে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে। প্ৰায় এক ঘণ্টাৰ বাজেট ভাষণত মোদী চৰকাৰৰ বিগত ১০ বছৰৰ সাফল্যৰ ৰূপৰেখা দাঙি ধৰি সীতাৰমণে কয়, "আগন্তুক ২৫ বছৰ আমাৰ বাবে কৰ্তব্যৰ সময়।" সংসদত বৃহস্পতিবাৰে দাখিল কৰা বাজেটৰ পূৰ্বে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে আগন্তুক পাঁচ বছৰত দেশ অভূতপূৰ্ব বিকাশৰ সাক্ষী হ'ব। সংসদত একেৰাহে ষষ্ঠবাৰৰ বাবে অন্তৰ্বৰ্তীকালীন বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে লগতে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে বিগত ১০ বছৰত "বৃহৎ প্ৰত্যাহ্বান" অতিক্ৰম কৰিছে। উল্লেখ্য যে, আৰু মাত্ৰ দুমাহ পিছতে দেশত অনুষ্ঠিত হ'ব সাধাৰণ নিৰ্বাচন। যাৰ লগে লগে অন্ত পৰিব মোদী চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰো। এনে পৰিপ্ৰেক্ষিতত নতুন চৰকাৰ শপত গ্ৰহণৰ পিছত অৰ্থাৎ জুলাই মাহতহে ২০২৪-২৫ বৰ্ষৰ পূৰ্ণাংগ বাজেট দাখিল কৰাৰ সম্ভাৱনা আছে। অন্তৰ্বৰ্তীকালীন বাজেটত কেৱল আগন্তুক বিত্তীয় বৰ্ষৰ বাবে কেন্দ্ৰৰ সম্ভাব্য আয় আৰু ব্যয়ৰ ৰূপৰেখা দাঙি ধৰা হয়। অন্তৰ্বৰ্তীকালীন বাজেটত সাধাৰণতে কোনো উল্লেখযোগ্য নীতি পৰিৱৰ্তন অন্তৰ্ভুক্ত কৰা নহয়। বিশ্লেষকসকলে সেয়েহে এই বাজেটত কোনো নতুনত্বৰ সম্ভাৱনা নাই বুলি মন্তব্য কৰিলেও এই অন্তৰ্বৰ্তীকালীন বাজেট আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে বিজেপিৰ ভোটবেংকৰ ৰাজনীতিৰ অংশ হ'ব পাৰে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰে। বৃহস্পতিবাৰে দাখিল কৰা বাজেটত কৰদাতাক লৈ কোনো নতুন ৰেহাই দিয়া হোৱা নাই যদিও ষ্টাৰ্টআপ উদ্যোগী, মহিলা, দৰিদ্ৰ পৰিয়াল, কৃষকসকলক লৈ বহু লোভনীয় প্ৰস্তাৱ আগবঢ়োৱা হৈছে। বাজেট ভাষণৰ আৰম্ভণিতে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে এইবাৰৰ বাজেটত চাৰিটা বিষয়ৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে, সেয়া হৈছে- মহিলা, যুৱক-যুৱতী, দৰিদ্ৰ আৰু অন্নদাতা। অৱশ্যে বাজেটত তেওঁলোকৰ বাবে কোনো নতুনত্ব ঘোষণা কৰা নহ'লেও যোৱা দহ বছৰত চৰকাৰে তেওঁলোকৰ বাবে কি কি কৰিলে তাৰেই খাতিয়ান বাজেট ভাষণত দাঙি ধৰা দেখা গ'ল বিত্তমন্ত্ৰীগৰাকীক। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে উত্থাপন কৰা বাজেটত ষ্টাৰ্টআপৰ বাবে কৰ ৰেহাই এবছৰৰ বাবে বৃদ্ধি কৰা হৈছে। বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়ালৈকে দেশত প্ৰায় এক কোটি মহিলাক লাখপতি বাইদেউ আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে আৰু এতিয়া কেন্দ্ৰীয় চৰকাৰে এই সংখ্যা ৩ কোটিলৈ বৃদ্ধি কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। সীতাৰমণে কয় যে মোদী চৰকাৰৰ কাৰ্যকালত দেশৰ ৪ কোটি কৃষকে শস্য বীমাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। বিগত ১০ বছৰত গড় বাস্তৱ আয় ৫০ শতাংশলৈ বৃদ্ধি পাইছে। আনহাতে জিএছটিৰ জৰিয়তে সম্ভৱ হৈ উঠিছে এক ৰাষ্ট্ৰ, এক বজাৰ আৰু এক কৰ নীতি। কঠিন সময়ত ভাৰতে জি-২০ সন্মিলনৰ নেতৃত্ব দি নিজৰ স্থিতি সবল কৰা বুলি দাবী কৰি সীতাৰমণে কয়, "অমৃতকালত আমাৰ চৰকাৰে এনে নীতি গ্ৰহণ কৰিব যাৰ ফলত সকলোৰে বিকাশ ঘটিব। আমি সংস্কাৰৰ পথ অনুসৰণ কৰিম, পৰিবেশন কৰিম আৰু ৰূপান্তৰ কৰিম।" বিত্তমন্ত্ৰীগৰাকীয়ে তেওঁৰ বাজেট ভাষণত কয় যে প্ৰধানমন্ত্ৰী স্বনিধিয়ে ৭৮ লাখ ক্ষুদ্ৰ ব্যৱসায়ীক ঋণৰ সাহায্য আগবঢ়াইছে আৰু ইয়াৰে মুঠ ২.৩ লাখ লোকে তীয়বাৰৰ বাবে ঋণ লাভ কৰিছে। সৌৰ প্ৰণালী থকা এক কোটি পৰিয়াললৈ ৩০০ ইউনিট বিনামূলীয়া বিদ্যুৎ আগবঢ়োৱাৰ ঘোষণা কৰি বাজেট ভাষণত বিত্তমন্ত্ৰী সীতাৰমণে কয় যে চৰকাৰে এনে আঁচনি আনিব যাৰ দ্বাৰা মধ্যম আয়ৰ গোটৰ লোকে নিজাকৈ ঘৰ সাজিব পাৰিব। তেওঁ লগতে কয় যে চিকিৎসালয়সমূহৰ আন্তঃগাঁথনি ব্যৱহাৰ কৰি চৰকাৰে অধিক চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিব। সীতাৰমণে কয় যে এতিয়াৰে পৰা ৯-১৪ বছৰ বয়সৰ কিশোৰীসকলক ছাৰ্ভাইকেল কেন্সাৰ প্ৰতিৰোধৰ বাবে টিকাকৰণ কৰা হ'ব। আনহাতে এতিয়া সকলো আশাকৰ্মী, অংগনবাড়ী কৰ্মীয়ে আয়ুষ্মান ভাৰতৰ সুবিধা লাভ কৰিব বুলিও ঘোষণা কৰে বিত্তমন্ত্ৰীগৰাকীয়ে। ইফালে গতি আৰু সুৰক্ষা বৃদ্ধিৰ লক্ষ্যৰে ৰে'লৰেত হাই ট্ৰেফিক কৰিড'ৰ নিৰ্মাণৰ ঘোষণা কৰে সীতাৰমণে। তেওঁ কয় যে বন্দে ভাৰত শ্ৰেণীৰ ৪০ হাজাৰ ৰেলৰে বগী নিৰ্মাণ কৰা হ'ব। মোদী চৰকাৰৰ বিগত ১০ বছৰৰ কাৰ্যকালৰ খাতিয়ান দাঙি সীতাৰমণে কয় যে যোৱা ১০ বছৰত বিমানবন্দৰৰ সংখ্যা দুগুণ বৃদ্ধি পাই ১৪৯টা হৈছে। ভাষণৰ আৰম্ভণিতে নিৰ্মলা সীতাৰমণে কয় যে বিগত ১০ বছৰত ভাৰতীয় অৰ্থনীতিত অভূতপূৰ্ব পৰিৱৰ্তন হৈছে। ২০১৪ চনত দেশখনে বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। চৰকাৰে সেই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰি গাঁথনিগত সংস্কাৰ সাধন কৰিছে।

# ৰংঘৰতো ভূমি পূজন!



## নিজেই মুখ্যমন্ত্ৰীৰ সভাৰ প্ৰচাৰ, হিমন্তৰ প্ৰশংসাত পঞ্চমুখ বিধায়ক অখিল গগৈ

**ই-সংবাদ, ১ ফেব্ৰুৱাৰীঃ** ৰাজনীতিত পৰিপক্ক হ'ল ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ! অখিল গগৈয়ে শাসক পক্ষৰ সৈতে কেনেদৰে মিলি থাকিব লাগে সেই কথা ভালকৈয়ে বুজি উঠিছে। অসমৰ বিজেপি দলৰ চৰকাৰৰ দিনতে দীঘলীয়া সময় কাৰাগাৰৰ বন্ধ কুঠৰিত পাৰ কৰা অখিল গগৈয়ে এতিয়া শাসকীয় দলৰ মুখ্যমন্ত্ৰী তথা মন্ত্ৰীসকলক মন গলেই উচ্চ প্ৰশংসা কৰে। মন্ত্ৰী পীয়ুষ হাজৰিকাক ২০২৩ চনৰ ছেপ্তেম্বৰ মাহত অখিল গগৈয়ে অসমৰ কৰ্মদক্ষ মন্ত্ৰী আখ্যা দিছিল। অখিল গগৈৰ আমন্ত্ৰণ ৰক্ষা কৰি পীয়ুষ হাজৰিকাই শিৱসাগৰৰ দিখৌ, দিচাং আৰু ব্ৰহ্মপুত্ৰ নদীৰ মথাউৰি পৰিদৰ্শন কৰাৰ লগতে ২৬ কোটি টকা আবণ্টন দিয়াৰ ঘোষণা কৰাৰ পাছতে পীয়ুষ হাজৰিকাক প্ৰশংসা কৰিছিল অখিল গগৈয়ে। পীয়ুষ হাজৰিকা অত্যন্ত কৰ্মদক্ষ আৰু ফিল্ডলৈ গৈ কাম কৰা মানুহ, বিধানসভাত কথাবোৰ সঠিকভাবে উত্থাপন কৰিব পাৰে বুলি উল্লেখ কৰিছিল অখিল গগৈয়ে। আজি পুনৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ভূয়সী প্ৰশংসা কৰে অখিল গগৈয়ে। ৰংঘৰ প্ৰকল্পৰ বাবে সকলো কৃতিত্ব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অৰ্পণ কৰিছে গগৈয়ে। মঞ্চত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বহি থকাৰ সময়তে অখিল গগৈয়ে মুখ্যমন্ত্ৰীৰ বন্দনা কৰাৰ লগতে ৰংঘৰ প্ৰকল্পৰ বাবে যি আগ্ৰহ প্ৰকাশ আৰু ১১৮ কোটি টকা আবণ্ট দিয়াত মুখ্যমন্ত্ৰীক অন্তৰৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে গগৈয়ে। শিৱসাগৰ সন্দৰ্ভত গৱেষণাৰ বাবে ১ কোটি টকাৰ বিচাৰি যোৱাত মুখ্যমন্ত্ৰীয়ে ২০ লাখ টকা লগে লগে মোকলাই দিয়াৰ লগতে ৮০ লাখ টকা মোকলাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনতে শিৱসাগৰখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে ঘোষিত হোৱাৰ আশা প্ৰকাশ কৰি মঞ্চত স্ফূৰ্তি কৰা দেখা যায় অখিল গগৈক। ৰংঘৰ প্ৰকল্পৰ দৰেই তলাতল প্ৰকল্প, ৰংঘৰ চাৰিআলিত দিখৌত এখন নতুন দলং, দিখৌৰ ব্ৰিটিছ যুগৰ ঐতিহাসিক ষ্টীলৰ দলংখনৰ সুৰক্ষা-সৌন্দৰ্যবৰ্দ্ধন, বৰপাত্ৰ আলিত ৰে'ল গে'ট দিয়াৰ ঘোষণা কৰি থৈ যাব বুলি নাটকীয়ভাবে মঞ্চৰ সন্মুখত থকা ৰাইজৰ হাত তালি দিবলৈ অনুৰোধ জনায়। এইখিনি কৰি দিলে মুখ্যমন্ত্ৰীৰ প্ৰতি সদায়েই কৃতজ্ঞতা জ্ঞাপন কৰি থাকিম বুলি কথা দিয়ে অখিল গগৈয়ে। অখিল গগৈয়ে অত্যন্ত আনন্দ মনেৰে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীক তৈলমৰ্দন কৰা দেখা যায়। এই তৈলমৰ্দন অত্যাধিক হোৱা বুলি একাংশ লোকে অভিযোগ আনিছে। বিজেপি আৰু হিমন্ত বিশ্ব শৰ্মাক কুকুৰে কাইট নোখোৱা গালি দিয়ে অখিল গগৈয়ে। বাৰে বাৰে বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে গৈ আদৰ্শৰ কথা কয়। ইপিনে আকৌ ৰূপ সলনি কৰি মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলক ভূয়সী প্ৰশংসা কৰে অখিল গগৈয়ে। অখিল গগৈৰ ৰাজনৈতিক কাৰচাজি ধৰিব নোৱাৰা হৈ পৰাৰ লগতে ৰাজনীতিত পৰিপক্ক হৈ পৰাও বুলি কয় বিভিন্নজনে। ইপিনে অখিল গগৈয়ে দুদিন আগৰে পৰা ফেচবুকত পোষ্ট দি মুখ্যমন্ত্ৰীৰ সভালৈ মানুহক আহিবলৈ আহ্বান জনাই আহিছিল। দুদিন পূৰ্বে ফেচবুকত প্ৰথমটো পোষ্ট দি অখিল গগৈয়ে কৈছিল 'কাইলৈ ৰংঘৰ প্ৰকল্পৰ নিৰ্মাণৰ শুভ আৰম্ভণি কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া শিৱসাগৰলৈ আহিব। শিৱসাগৰবাসীক এই অনুষ্ঠানত উপস্থিত থাকিবলৈ সাদৰেৰে নিমন্ত্ৰণ জনালো।' আন এটা ফেচবুক পোষ্টত অখিল গগৈয়ে কৈছিল 'আজি আমাৰ সকলোৰে সপোনৰ ৰংঘৰ প্ৰকল্পৰ নিৰ্মাণৰ শুভ আৰম্ভণি কৰিবলৈ আহিবলগীয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াক ঐতিহাসিক শিৱসাগৰলৈ স্বাগতম জনাইছো'। হঠাতে যেন আজি অখিল গগৈক পৰিৱৰ্তন হোৱা দেখা গ'ল। মঞ্চত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বহি থকাৰ সময়তে উচ্চ প্ৰশংসা কৰি কি ইংগিত দিছে সেয়া সময়েহে ক'ব। উল্লেখ্য যে, আহোম ৰাজত্বকালত শিৱসাগৰত নিৰ্মাণ কৰা হৈছিল ৰংঘৰ। এছিয়াৰ আটাইতকৈ পুৰণি এম্ফিথিয়েটাৰ ৰূপে বিখ্যাত ৰংঘৰক অত্যাধুনিক কৰাৰ আঁচনি লৈছে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। আজি এই আঁচনিৰ ভূমি পূজন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ভূমি পূজন কৰি ৰংঘৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ৰংঘৰক অসমৰ পৰ্যটনৰ অন্যতম আকৰ্ষণ হৈ পৰিব বুলি আশা প্ৰকাশ কৰে। ৰংঘৰক সম্পদ আখ্যা দি আগন্তুক ১,০০০ বছৰলৈ যাতে সংৰক্ষণ কৰিব পাৰো তাৰ বাবে সৌন্দৰ্যবৰ্ধন প্ৰকল্পৰ কাম শুভাৰম্ভণি কৰাৰ লগতে আহোম পূৰ্বপুৰুষসকলৰ আশিস বিচাৰে মুখ্যমন্ত্ৰীয়ে। এই সভাত শিৱসাগৰৰ বিধায়ক অখিল গগৈ উপস্থিত থাকি মুখ্যমন্ত্ৰী উচ্চ প্ৰশংসা কৰে।

# পৰেশ বৰুৱাৰ বিৰুদ্ধে অপমানজনক মন্তব্য! মানসক সকিয়নী আলফা স্বাধীনৰ

**ই-সংবাদ, ১ ফেব্ৰুৱাৰীঃ** আলফাৰ ম্যানমাৰস্থিত কেম্পত গুপ্তচৰ হোৱাৰ সন্দেহত বন্দীত্বৰ দিন কটোৱা মানস বৰগোহাঁইক লৈ ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্য অব্যাহত আছে৷ তাৰ মাজতে মানস বৰগোহাঁয়ে বাৰে বাৰে নাম লোৱা মানস চলিহাক সামাজিক মাধ্যমত লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে৷ অসম চৰকাৰ আৰু অসম আৰক্ষীয়ে গুৰুত্ব নিদিলেও অসমৰ একাংশ নেটিজেনে মানস চলিহাক প্ৰৱঞ্চক হোৱাৰ অভিযোগ উত্থাপন কৰি মানস বৰগোহাঁইক ফচোৱাৰ অভিযোগ উত্থাপন কৰে৷ মানস চলিহাই অসম আৰক্ষীৰ নাম লৈ প্ৰৱঞ্চনা কৰি মানস বৰগোহাঁইক আলফাৰ শিবিৰলৈ প্ৰেৰণ কৰাৰ অভিযোগ আনিছে কেইবাজনো নেটিজেনে৷ মানস বৰগোহাঁয়ে বাৰে বাৰে অসম আৰক্ষীয়ে তেওঁক বিশেষ শাখাত উপ-পৰিদৰ্শক হিচাপে নিয়োগ কৰাৰ দাবী উত্থাপন কৰি আছে৷ সকলো কথা মানস চলিহাই জানে বুলি কয়৷ তাৰ পাছতে মানস চলিহাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে আলফা স্বাধীনে৷ এক বিবৃতি যোগে আলফা স্বাধীনে প্ৰতিক্ৰিয়া ব্যক্ত কৰি পৰেশ বৰুৱাক লৈ মানস চলিহাই কৰা মন্তব্যৰ বাবে আলফা স্বাধীনে বিচাৰ কৰিব বুলি ঘোষণা কৰিব৷ মানস চলিহাই ফেচবুক লাইভযোগে সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ শিবিৰত বন্দী মানস বৰগোহাঁইৰ প্ৰসংগ টানি আনি সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ সভাপতি পৰেশ বৰুৱাৰ বিৰুদ্ধে অপমানজনক মন্তব্য প্ৰকাশ কৰা বুলি কয়৷ এই অপৰাধৰ অভিযোগত আলফাৰ আদালতত বিচাৰ কৰা হ'ব বুলি ঘোষণা কৰে৷ সংযুক্ত মুক্তি বাহিনী স্বাধীনে কয় যে মানস বৰগোহাঁইৰ প্ৰসংগত নাম সাঙুৰ খোৱা মানস চলিহাই কালি ফেচবুক লাইভ যোগে সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ সন্মানীয় সভাপতি মহাশয়ৰ বিৰুদ্ধে কেতবোৰ গুৰুতৰ অভিযোগ আৰু অপমানজনক মন্তব্য প্ৰকাশ কৰা আমাৰ দৃষ্টিগোচৰ হৈছে৷ ইয়াক লৈ নিশ্চয় বিচাৰ-বিবেচনা কৰা হ'ব৷ মানস চলিহা যদি অসম প্ৰশাসনৰ সৈতে জড়িত নহয় তেন্তে মানস চলিহাই ব্যক্তিগত বাহনত অসম চৰকাৰৰ নামত নম্বৰপ্লেট কিদৰে ব্যৱহাৰ কৰিব পাৰিলে? সেই সন্দৰ্ভত অসম আৰক্ষীয়ে এই পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই কিয়? আনহাতে, মানস চলিহা যদি অসম আৰক্ষীৰ কোনো নহয় তেন্তে নিজৰ লগত দুটাকৈ মাৰণাস্ত্ৰ মজুত ৰখাৰ অপৰাধত চলিহাক গ্ৰেপ্তাৰ কৰি প্ৰকৃত সত্য উদঘাটন নকৰি মানস চলিহাক ৰক্ষণাবেক্ষণহে দিয়া হৈছে কিয়? এনেবোৰ বিষয়ে প্ৰমাণ কৰে যে আলফা স্বাধীনৰ শিবিৰত চোৰাংচোৱাগিৰি কৰিবলৈ মানস বৰগোহাঁইক প্ৰেৰণ কৰাত মানস চলিহাৰ সমান্তৰালকৈ একাংশ অসম আৰক্ষীও ওতপ্ৰোতঃভাৱে জড়িত। বিবৃতি যোগে এই দাবী কৰিছে আলফা স্বাধীনে৷ আলফা স্বাধীনৰ বিবৃতিৰ পাছতে মানস চলিহাই এইবাৰ কি প্ৰতিক্ৰিয়া ব্যক্ত কৰে সেয়া লক্ষ্যণীয় হ'ব৷

# মহৰিপাৰাত বঙালী যুৱ-ছাত্ৰ ফেডাৰেশ্যনৰ অধিৱেশন আৰম্ভ

**ই-সংবাদ, ১ ফেব্ৰুৱাৰীঃ** আজিৰে পৰা গোৰেশ্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ বিটিআৰ বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ অধিবেশন অনুষ্ঠিত হৈছে। তামুলপুৰ জিলাৰ মহৰিপাৰাৰ বিবেকানন্দ সমন্বয় ক্ষেত্ৰত ৩ ফেব্ৰুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অধিৱেশনত আজি মুখ্যদ্বাৰ মুকলি কৰা হয়। মুখ্যদ্বাৰ মুকলি কৰে বিটিআৰৰ ইএম ধৰ্মনাৰায়ণ দাসে। অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন কৰে ইএম ৰনেন্দ্ৰ নাৰ্জাৰীয়ে। ধৰ্মীয় ৰীতি-নীতিৰে অধিবেশনস্থলীত অস্থায়ীভাৱে নিৰ্মাণ কৰা নামঘৰ, হৰি মন্দিৰ আৰু বাথৌ মন্দিৰ উদ্বোধন কৰা হয়। আনহাতে ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সমিতিৰ সভাপতি হৰেন্দ্ৰ দাসে। স্বেচ্ছাসেৱক কাৰ্যালয় মুকলি কৰে বিপিএফ নেতা তথা প্ৰাক্তন ইএম গণেশ কছাৰীয়ে। সদৌ বিটিআৰ বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ অধিবেশনৰ লগতে তামুলপুৰ জিলা সমিতিৰো প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন একেলগে অনুষ্ঠিত হৈছে৷ বিবেকানন্দ সমন্বয় ক্ষেত্ৰত তিনিটা দিনত বিভিন্ন প্ৰান্তৰ ৫০ হাজাৰ লোকক আদৰিবলৈ সাজু হৈছে ফেডাৰেচনৰ কৰ্মকৰ্তাসকল। মুকলি সভাত বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়ো, কেইবাগৰাকী মন্ত্ৰী-বিধায়ক আৰু বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি উপস্থিত থাকিব৷ অধিবেশনত ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা কামনা কৰিছে ফেডাৰেচনৰ বিষয়-ববীয়াসকলে।





# মাতৃভাষা বিৰোধী সিদ্ধান্তৰ বিৰুদ্ধে মাজুলীত আছুৰ বিক্ষোভ

**ই-সংবাদ, মাজুলী, ১ফেব্ৰুৱাৰীঃ** সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে আজি মাজুলীতো আছুৱে বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰে৷ অসম চৰকাৰৰ মাতৃভাষা মাধ্যম বিৰোধী সিদ্ধান্তৰ প্ৰতিবাদত সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই প্ৰতিবাদী সমদল আৰু বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে৷ মাজুলী গড়মূৰ সদৰস্থিত মিনি ষ্টেডিয়ামৰ পৰা জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ সমদল কৰি চৰকাৰ বিৰোধী শ্ল’গান দি পৰিৱেশ উত্তাল কৰি তোলে৷ প্ৰতিবাদী কাৰ্যসূচীত সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামী, অজিত হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, কাৰ্যনিৰ্বাহক ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ হাজৰিকা, সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱাই অংশগ্ৰহণ কৰে৷ প্ৰায় শতাধিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে শিক্ষা মন্ত্ৰী মুৰ্দাবাদ, মুখ্যমন্ত্ৰী হায়ঃ হায়ঃ, মাধ্যম বিৰোধী সিদ্ধান্ত মানি লোৱা নহ’ব, সদৌ অসম ছাত্ৰ সন্থা জিন্দাবাদ শ্ল’গান দি গড়মূৰৰ পৰিৱেশ উত্তাল কৰি তোলে৷

# গোৰেশ্বৰত গাঞ্জা সৰবৰাহকাৰী গ্ৰেপ্তাৰ

**ই-সংবাদ, গোৰেশ্বৰ, ১ ফেব্ৰুৱাৰীঃ** অসম আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান অব্যাহত ৰখাৰ সময়তে আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰ আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলায়৷ গোৰেশ্বৰ আৰক্ষীৰ এটা দলে গোৰেশ্বৰ টাউনৰ সমীপৱৰ্তী পুখুৰিপাৰ গাঁৱত অভিযান চলাই গাঞ্জা ব্যৱসায়ী কন্দৰ্প কলিতাক (৫২) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়৷ গাঞ্জা ব্যৱসায়ী কন্দৰ্প কলিতাৰ পৰা প্ৰায় ৩ কিলোগ্ৰাম গাঞ্জা উদ্ধাৰ কৰিবলৈ সক্ষম হয়৷ উল্লেখ্য যে, গোৰেশ্বৰৰ পুখুৰীপাৰ গাঁৱত দীৰ্ঘদিন ধৰি কন্দৰ্প কলিতাই গাঞ্জাৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল৷ তাৰ মাজতে আজি গোপন সূত্ৰৰ পম খেদি পুখুৰিপাৰৰ ঘৰত গোৰেশ্বৰ আৰক্ষীয়ে চলোৱা অভিযানত গাঞ্জা উদ্ধাৰ কৰাৰ লগতে কন্দৰ্প কলিতাক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।




# সাহিত্য সভাৰ অধিৱেশনত মুখা পিন্ধি 'কা' বিৰোধী প্ৰতিবাদ

**ই-সংবাদ, মৰিগাঁও, ১ ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাৰ একাদশ বিশেষ বাৰপূজীয়া অধিৱেশনত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে প্ৰথিতযশা সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ মুখা পৰিধান অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়৷ পাঁচোৰজা সমন্বয় ক্ষেত্ৰত সাহিত্য সভাৰ আজীৱন সদস্য দুলাল বৰা আৰু বিৰিঞ্চি বৰাই মুখা পৰিধান অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। ইতিমধ্যে কেইবাখনো সমাজিক মাধ্যমত ভাইৰেল হোৱাত বিভিন্ন লোকে এই প্ৰতিবাদক সমৰ্থন কৰিছে৷ সাহিত্য সভাৰ বিশেষ অধিবেশনক লৈ উদুলি-মুদুলি হৈ পৰিছে মৰিগাঁও জিলাৰ বাৰপুজীয়াৰ পাঁচোৰজা সমন্বয় ক্ষেত্ৰ। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে জীপাল হয় অধিৱেশনস্থলী। আজি দ্বিতীয় দিনটোৰ পুৱা উৎসৱমুখৰ পৰিৱেশত সাহিত্য সভাৰ পতাকা উত্তোলন কৰে সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই। পতাকা উত্তোলন কৰি অসমীয়া ভাষা সাহিত্যৰ স্বকীয়তা অক্ষুন্ন ৰাখি ইয়াৰ উৎকৰ্ষ সাধনৰ বাবে সাহিত্য সভাৰ পবিত্ৰ পতাকাৰ তলত সকলোৱে সংকল্প লোৱাৰ সময় সমাগত বুলি কয় সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই। মূল পতাকা উত্তোলনৰ সমান্তৰালকৈ পতাকাৰ বেদীত ১১৭ খন পতাকা উত্তোলন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈ, অধিবেশনৰ আদৰণী সমিতিৰ সভাপতি হেমন্ত কুমাৰ দেউৰী, কাৰ্যকৰী সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা আদিয়ে। শ্বহীদ তৰ্পণ কাৰ্যসূচীত বন্তি প্ৰজ্বলন কৰে সদৌ অসম জাতীয় শ্বহীদ পৰিয়াল সমন্বয় পৰিষদৰ সাধাৰণ সম্পাদক ৰাজেন ডেকাই আৰু পুষ্পাঞ্জলি তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধিয়ে। বিশিষ্ট সাহিত্যিক বলাইৰাম সেনাপতি সোঁৱৰণী সাহিত্য সন্মিলন, স্মৃতিগ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচন সভা অনুষ্ঠিত হয়। সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভা উদ্বোধন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক তথা কলাগুৰু ড০ উমেশ ডেকাই। সভা উদ্বোধন কৰি দিয়া ভাষণত ড০ উমেশ ডেকাই কয় যে অসম সাহিত্য সভাৰ ভাষিক চেতনাৰ বৰ্ণাঢ্য যাত্ৰা জাতি-জনগোষ্ঠীৰ প্ৰেৰণা অবিহনে সফল কৰাটো সম্ভৱ নহয়। এই সভাত আদৰণী ভাষণ প্ৰদান কৰে আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। বিয়লি শঙ্কৰদেৱ বঁটা প্ৰাপক ইলাৰাম দাস সোঁৱৰণী এখন জাতীয় বৌদ্ধিক সন্মিলন অনুষ্ঠিত হয়। সন্মিলনত অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'বাৰপূজীয়া' উন্মোচন কৰে বিশিষ্ট গবেষক পণ্ডিত ড০ নৰেণ কলিতাই। চৰাইবাহীৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অনিতা হাজৰিকাৰ পাঁচখন গ্ৰন্থ উন্মোচন কৰে উপেন্দ্ৰজিৎ শৰ্মাই৷ আন পাঁচখন গ্ৰন্থ উন্মোচন কৰে সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকা আৰু প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই। আদৰণী সমিতিৰ গ্ৰন্থ প্ৰকাশন আৰু গ্ৰন্থ উন্মোচন উপ-সমিতিৰ ব্যৱস্থাপনাত চাৰিখনকৈ গ্ৰন্থ, এখন স্মৃতিগ্ৰন্থৰ লগতে ২৩ জন লেখকৰ মুঠ ৪২খন গ্ৰন্থসহ মুঠ ৪৭ খন গ্ৰন্থ উন্মোচন কৰা হয় বুলি জানিবলৈ দিছে গ্ৰন্থ প্ৰকাশন আৰু গ্ৰন্থ উন্মোচন উপ-সমিতিৰ সম্পাদক খগেন বৰাই।

# শেষ পৃষ্ঠা

## বাহিৰ হ'ল ৰিয়ান পৰাগ

**গুৱাহাটী, ১ ফেব্ৰুৱাৰীঃ** কাইলৈৰ পৰা কানপুৰত উত্তৰ প্ৰদেশৰ বিৰুদ্ধে খেলিব লগীয়া ৰঞ্জি ট্ৰফিৰ এখন গুৰুত্বপূৰ্ণ মেছত নিয়মীয়া অধিনায়ক ৰিয়ান পৰাগ অবিহনে খেল পথাৰত নামিব অসমে। কান্ধৰ আঘাতৰ বাবে ৰিয়ানক দলৰ পৰা বাদ দিয়া হৈছে। বংগৰ বিৰুদ্ধে গুৱাহাটীত খেলা মেছত আঘাতৰ বাবে এটা ইনিংছতো বেট ধৰিব পৰা নাছিল তেওঁ। ৰিয়ানৰ অনুপস্থিতিত মিডল অৰ্ডাৰ বেটাৰ ডানিছ দাসে দলৰ নেতৃত্বৰ ভাৰ চাম্ভালিব। এতিয়ালৈকে ৰঞ্জি এলাইট গ্ৰুপ 'বি' চাৰিখন খেলৰ তিনিখনত পৰাস্ত হোৱা অসমে মাত্ৰ এক পইণ্টৰে গ্ৰুপৰ আঠ নম্বৰত আছে। সেই কাইলৈৰ পৰা আৰম্ভ হ'ব লাগীয়া খেলখন অসমৰ বাবে গুৰুত্বপূৰ্ণ। কিন্তু দলৰ একমাত্ৰ সফল বেটাৰ আৰু নিয়মীত অধিনায়কৰ অনুপস্থিতিয়ে দলক্ষ ক্ষতি কৰিব।

## জয়পুৰ প্লে-অফলৈ

**জয়পুৰ, ১ ফেব্ৰুৱাৰীঃ** প্ৰো-কাবাডী লীগৰ দশম চিজনৰ প্লে-অফলৈ যোগ্যতা অৰ্জন কৰা প্ৰথম দলত পৰিণত হৈছে জয়পুৰ পিংক পেন্থাৰ। ডিফেণ্ডিং চেম্পিয়ন দলটোৱে চলিত চিজনৰ প্ৰথম চাৰিখন খেলত মাত্ৰ এখনত জয়ী হৈছিল। ইয়াৰ পিছত একেলেথাৰিয়ে ১৩ খলত জয়ী হয় প্লে-অফলৈ আগবাঢ়ে।



**গোৰেশ্বৰত বিটিআৰ বঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ অধিৱেশনৰ এটি মুহূৰ্ত**




**■ পূব জয়ন্তীয়া পাহাৰ, খাচী পাহাৰ, পশ্চিম জয়ন্তীয়া পাহাৰৰ আৱৰ্জনা সংগ্ৰহৰ বাবে বিশেষ বাহন মুকলি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ**

# ভাড়াতীয়া দম্পতীৰ কোঠাত গোপন কেমেৰা লগাই গ্ৰেপ্তাৰ হ'ল মালিক

**অনলাইন ফিচাৰ্ছ, ১ ফেব্ৰুৱাৰী:** ভাড়াতীয়া দম্পতীৰ কোঠাত গোপন কেমেৰা লগাই মহিলাৰ ব্যক্তিগত মুহূৰ্ত ৰেকৰ্ড কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল এজন চিকিৎসা বিজ্ঞানৰ ছাত্ৰ। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে চেন্নাইত। জানিব পৰা মতে, চেন্নাই দন্ত চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ ইব্ৰাহিমৰ ঘৰত প্ৰায় এবছৰৰ পৰা ভাড়াতীয়া হিচাপে বাস কৰি আহিছিল এহাল পতি-পত্নীয়ে। ৩০ জানুৱাৰীত কম বয়সীয়া মহিলাগৰাকীয়ে নিজৰ বেডৰুমত ৰখা এটা কলমৰ পৰা এক অনুজ্জ্বল পোহৰ কোঠাত বিয়পি পৰা প্ৰত্যক্ষ কৰে। ইয়াৰ পিছতে তেওঁ স্বামীক এই বিষয়ে কোৱাত স্বামীয়ে পেনটো খুলি চাই নিশ্চিত হয় যে সেইটো আচলতে এটা পেন কেমেৰা, য'ত বন্দী হৈছিল মহিলাগৰাকীৰ কাপোৰ সলোৱাকে ধৰি তেওঁলোকৰ অন্তৰংগ মুহূৰ্তৰ বহু দৃশ্য। ইয়াৰ পিছতে দম্পতীহালে এই সন্দৰ্ভত ইব্ৰাহিমৰ বিৰুদ্ধে স্থানীয় থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্ত চিকিৎসা বিজ্ঞানৰ ছাত্ৰজনক। দম্পতীহালে অভিযোগ কৰা অনুসৰি, ঘৰৰ মালিকৰ কৰ্তৃত্ব দেখুৱাই প্ৰায়েই ইব্ৰাহিমে বিনা অনুমতিৰে তেওঁলোকৰ কোঠাত প্ৰৱেশ কৰিছিল। আৰু তেনেকৈয়ে যুৱকজনে তেওঁলোকৰ কোঠাত গোপনে পেন কেমেৰা স্থাপন কৰা বুলি অভিযোগ কৰে দম্পতীহালে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান